3 (Sem–2) ASM L

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

2 0 1 4

# ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ প্ৰধান ভাগ দুটাৰ কথা কোনে প্ৰথমে উল্লেখ কৰিছিল ?

(খ) বাল্টো-স্লাৱীয় ভাষাবোৰক কেইটা ভাগত ভগোৱা হৈছে ?

(গ) আৰ্য ভাষাৰ বিৱৰ্তনৰ স্তৰ কেইটা আৰু কি কি ?

(ঘ) কোনগৰাকী ভাষাবিদে অসমীয়া ভাষাৰ উদ্ভৱ কামৰূপী প্ৰাকৃতৰ পৰা হৈছে বুলি কৈছে ?

(ঙ) 'কাৰ্তুজ' কোন ভাষাৰ পৰা অহা অসমীয়া শব্দ ?

(চ) দুটা নৃ-গোষ্ঠীয় উপভাষাৰ নাম লিখা।

(ছ) কামৰূপী উপভাষাত শব্দৰ কোনটো অক্ষৰত শ্বাসাঘাত পৰে ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ নামকৰণৰ তাৎপৰ্য কি?

(খ) প্ৰাকৃত ভাষাৰ দুটা প্ৰধান ধ্বনিগত বিশেষত্ব উদাহৰণসহ উল্লেখ কৰা।

(গ) ড০ বাণীকান্ত কাকতিয়ে কামৰূপী উপভাষাক কেইটা ভাগত বিভাজন কৰিছে আৰু কি কি?

(ঘ) 'নাগামিজ' ভাষা সম্পৰ্কে চমুকৈ লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক কি কি ভাগত বিভাজন কৰা হৈছে? সেই বিভাজনৰ অন্তৰ্গত প্ৰধান শাখা কেইটা আৰু কি কি, চমুকৈ লিখা।

(খ) 'অপভ্ৰংশ' শব্দৰ অৰ্থ ব্যাখ্যা কৰি ইয়াৰ পাঁচটা বিশেষত্ব উল্লেখ কৰা।

(গ) মগধীয় ভাষাৰ ভিতৰত কি কি ভাষাক সামৰি লোৱা হয়? অসমীয়া ভাষাৰ লগত অন্যান্য কি কি মগধীয় ভাষাৰ সম্পৰ্ক আছে, বুজাই লিখা।

(ঘ) অসমীয়া ভাষাত প্ৰচলিত বিদেশী শব্দমালা সম্বন্ধে উদাহৰণসহ লিখা।

(ঙ) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি, চমুৱাই লিখা।

৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ জন্মস্থান সম্পৰ্কে ভাষাবিজ্ঞানীসকলৰ অভিমত দাঙি ধৰি এই ভাষা-পৰিয়ালটোৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা। ১০

*অথবা*

(খ) মধ্যভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত ভাষাবোৰৰ পৰিচয় দাঙি ধৰি এটা নিবন্ধ যুগুত কৰা।

৫। (ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা কেনেধৰণে বিকাশ লাভ কৰি অসমীয়া ভাষাই স্বতন্ত্ৰ ৰূপ পৰিগ্ৰহণ কৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) অসমত কি কি প্ৰধান আৰ্য-ভিন্ন ভাষা-পৰিয়াল আছে? সেই আৰ্য-ভিন্ন পৰিয়ালবোৰৰ কি কি উপাদান অসমীয়া ভাষাত পোৱা যায়, আলোচনা কৰা।

৬। (ক) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্ব সম্পৰ্কে এটি তুলনামূলক আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ'—এই বিষয়ে এটি আলচ যুগুত কৰা।

★★★